# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
**0000000000**

**Date :** 07-05-2026
**Time :** 1340 HRS.

*Assamese Mid-day Bulletin*

## HEADLINES

১। সমগ্ৰ দেশত আজি অপাৰেচন সিন্দূৰৰ প্ৰথম বৰ্ষপূৰ্তি পালন কৰা হৈছে।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয়, যে দেশ সন্ত্ৰাসবাদক পৰাভূত কৰাৰ সংকল্পত অটল হৈ আছে।

৩। ক'লকাতাৰ ব্ৰিগেড খেলপথাৰত শনিবাৰে ৰবীন্দ্ৰ জয়ন্তীৰ দিনা পশ্চিমবঙ্গত নৱ-নিৰ্বাচিত বিজেপি চৰকাৰৰ শপত গ্ৰহণ অনুষ্ঠিত হ'ব।

৪। কেৰলমত নতুন চৰকাৰ গঠন কৰিবলৈ কংগ্ৰেছ দলে তিৰুৱনন্তপুৰমত তেওঁলোকৰ গুণা-গঁথা অব্যাহত ৰাখিছে।

*আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি লক্ষ্ণৌৰ অটল বিহাৰী বাজপেয়ী একানা ক্ৰিকেট ষ্টেডিয়ামত লক্ষ্ণৌ ছুপাৰ জায়েণ্টছ ৰয়েল ছেলেঞ্জাৰ্ছ বাংগালুৰুৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০০

সমগ্ৰ দেশত আজি অপাৰেচন সিন্দূৰৰ প্ৰথম বৰ্ষপূৰ্তি পালন কৰা হৈছে। ভাৰতে যোৱা বছৰ আজিৰ এই দিনটোতে অপাৰেচন সিন্দূৰৰ অধীনত পাকিস্তান তথা পাকিস্তান অধিকৃত কাশ্মীৰৰ ৯টা সন্ত্ৰাসবাদী ঘাটিত আক্ৰমণ চলাইছিল। যোৱা বছৰ ২২ এপ্ৰিলত পাকিস্তানৰ পৃষ্ঠপোষকতাপ্ৰাপ্ত সন্ত্ৰাসবাদীয়ে পেহেলগামত পৰ্যটকৰ ওপৰত চলোৱা জঘন্য আক্ৰমণৰ প্ৰত্যুত্তৰত চলোৱা এই অভিযানত কমেও ১০০ জন সন্ত্ৰাসবাদী নিহত হৈছিল।

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে অপাৰেচন সিন্দূৰক সন্ত্ৰাসবাদ আৰু দেশৰ সাৰ্বভৌমত্ব আৰু নাগৰিকসকলৰ সুৰক্ষাৰ প্ৰতি ভাবুকি কঢ়িয়াই অনা সকলো শক্তিৰ বিৰুদ্ধে অটুত সংকল্পৰ প্ৰমাণ বুলি অভিহিত কৰে। ৰাষ্ট্ৰপতিগৰাকীয়ে সামাজিক মাধ্যম যোগে দিয়া এটা বাৰ্তাত কয়, যে এই অভিযানৰ অভূতপূৰ্ব সাফল্যই দেশৰ সশস্ত্ৰ বাহিনীসমূহৰ অদ্যম সাহস আৰু দৃঢ়তাকে প্ৰতিফলিত কৰে। তেওঁ কয়, যে পেহেলগাম সন্ত্ৰাসবাদী আক্ৰমণৰ যোগ্য প্ৰত্যুত্তৰ দিয়া হৈছে। ভাৰতক ভাবুকি প্ৰদানৰ চেষ্টা কৰা সকলে আমাৰ দেশ যে সতৰ্ক, ঐক্যবদ্ধ আৰু পূৰ্ণ শক্তিৰে উত্তৰ দিবলৈ সমৰ্থ সেয়া জনা উচিত বুলি তেওঁ মন্তব্য কৰে।

উপ ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণে অপাৰেচন সিন্দূৰক সন্ত্ৰাসবাদী শক্তি তথা দেশৰ শান্তি, একতা আৰু সাৰ্বভৌমত্ব বিঘ্নিত কৰিব খোজাসকলৰ বিৰুদ্ধে নিৰ্ণায়ক ক্ষণ বুলি আখ্যা দিছে। উপ ৰাষ্ট্ৰপতিগৰাকীয়ে সামাজিক মাধ্যম যোগে কয়, যে সশস্ত্ৰ বাহিনীসমূহৰ অদ্যম সাহস আৰু বীৰত্বই সন্ত্ৰাসবাদী নেটৱৰ্কৰ বিনাশ সুনিশ্চিত কৰিছে।

এই উপলক্ষে সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয়, যে দেশ সন্ত্ৰাসবাদক পৰাভূত কৰাৰ সংকল্পত অটল হৈ আছে। তেওঁ কয়, যে সশস্ত্ৰ বাহিনীসমূহে অপাৰেচন সিন্দূৰৰ সময়ত অভূতপূৰ্ব সাহস আৰু দৃঢ়তা প্ৰদৰ্শন কৰিছে। বাহিনীসমূহে পেহেলগামত নিৰীহ ভাৰতীয়ৰ ওপৰত আক্ৰমণ চলোৱাসকলক

যোগ্য প্ৰত্যুত্তৰ দিয়া বুলি উল্লেখ কৰি শ্ৰীমোদীয়ে কয়, যে সমগ্ৰ ৰাষ্ট্ৰই সশস্ত্ৰ বাহিনীসমূহক তেওঁলোকৰ বীৰত্বৰ বাবে প্ৰণিপাত জনাইছে। প্ৰধানমন্ত্ৰীয়ে সংস্কৃতৰ হিতোপদেশ উদ্ধৃতিৰে কয়, যে অপাৰেচন সিন্দূৰৰ সময়ত ভাৰতে অৰ্জন কৰা অভূতপূৰ্ব সাফল্য বীৰ সৈনিকসকলৰ অসীম সাহস আৰু দেশপ্ৰেমৰ নিদৰ্শনস্বৰূপ। প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে অপাৰেচন সিন্দূৰৰ বৰ্ষপূৰ্তি উপলক্ষে সশস্ত্ৰ বাহিনীসমূহক সাহস আৰু ত্যাগক প্ৰশংসা কৰিছে। প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীয়ে সামাজিক মাধ্যম যোগে দিয়া এটা বাৰ্তাত সশস্ত্ৰ বাহিনীসমূহৰ সাহস আৰু নিষ্ঠাই দেশক সুৰক্ষিত কৰি ৰাখিছে। অপাৰেচন সিন্দূৰৰ সময়ত তেওঁলোকে গ্ৰহণ কৰা ব্যৱস্থাই সঠিক ৰণনীতি আৰু সেনা বাহিনীৰ তিনিওটা শাখাৰ মাজত উন্নত সমন্বয়কে প্ৰতিফলিত কৰে আৰু এই সমন্বয় আধুনিক সামৰিক অভিযানৰ বাবে নতুন নিদৰ্শন দাঙি ধৰিছে বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে।

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে সিন্দূৰ অভিযানে দেশৰ শত্ৰুসকলক সদায় আমাৰ সশস্ত্ৰ বাহিনীৰ শক্তিৰ বিষয়ে সোঁৱৰাই দিব বুলি প্ৰকাশ কৰিছে। এই অভিযানৰ এবছৰ সম্পূৰ্ণ হোৱা উপলক্ষে দিয়া এটা বাৰ্তাত শ্ৰীশ্বাহে দেশৰ বাহিনীসমূহৰ অদ্যম সাহসৰ প্ৰতি প্ৰণিপাত জনায়। এই দিনটোৱে শত্ৰুসকলক বিশ্বৰ যিকোনো স্থানত লুকাই থাকিলেও সাৰি যাব নোৱাৰে বুলি বাৰ্তা প্ৰদান কৰে বুলি তেওঁ উল্লেখ কৰে।

০০০০০০

ক'লকাতাৰ ব্ৰিগেড খেলপথাৰত শনিবাৰে ৰবীন্দ্ৰ জয়ন্তীৰ দিনা পশ্চিমবঙ্গত নৱ-নিৰ্বাচিত বিজেপি চৰকাৰৰ শপত গ্ৰহণ অনুষ্ঠিত হ'ব। ৰাজ্যিক বিজেপিৰ সভাপতি সৌমিক ভট্টাচাৰ্য্যই কালি ৰাজ্যিক সচিবালয় নবান্নত উচ্চ পদস্থ বিষয়াৰ সৈতে সাক্ষাৎ কৰি অনুষ্ঠানৰ প্ৰস্তুতি সম্পৰ্কে তথা নিৰ্বাচনৰ পাছৰ হিংসা ৰোধৰ ব্যৱস্থাৰ বিষয়ে আলোচনা কৰে। আলোচনাকালত বিজেপিৰ ৰাষ্ট্ৰীয় সাধাৰণ সম্পাদক তথা ৰাষ্ট্ৰীয় পৰ্য্যবেক্ষক সুনীল বনছালৰ লগতে দলৰ নেতা সৌমিত্ৰ খান আৰু জ্যোতিৰ্ময় সিং মহাটো উপস্থিত থাকে। তাৰ পাছত ভট্টাচাৰ্য্যই সাংবাদিকৰ আগত কয়, যে কাইলৈ দলটোৰ নৱ-নিৰ্বাচিত বিধায়কসকল বৈঠকত মিলিত হৈ বিধায়িনী দলৰ নেতা নিৰ্বাচন কৰিব। শনিবাৰে পুৱা ১০ বজাত অনুষ্ঠিত হ'বলগীয়া শপতগ্ৰহণ অনুষ্ঠানত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, গৃহ মন্ত্ৰী অমিত শ্বাহ আৰু বিভিন্ন বিজেপিশাসিত ৰাজ্যসমূহৰ মুখ্যমন্ত্ৰীসকল উপস্থিত থকাৰ সম্ভাৱনা আছে। ভট্টাচাৰ্য্যই লগতে কয়, যে যদি মমতা বেনাৰ্জীয়ে পদত্যাগ নকৰে, তেন্তে অনুষ্ঠানটো সাংবিধানিক নীতি অনুসৰি অনুষ্ঠিত হ'ব। শপতগ্ৰহণ অনুষ্ঠানৰ বাবে আৰক্ষীয়ে ইতিমধ্যে কটকটীয়া নিৰাপত্তা ব্যৱস্থা গঢ়ি তুলিছে।

০০০০০০

কেন্দ্ৰীয় শিক্ষা মন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানে অভিযোগ কৰিছে যে, বিজেপি নেতা শুভেন্দু অধিকাৰীৰ ঘনিষ্ঠ সহযোগী চন্দ্ৰনাথ ৰথৰ হত্যাকাণ্ড মমতা বেনাৰ্জীৰ নেতৃত্বত তৃণমূল কংগ্ৰেছ চৰকাৰে ৰাজনীতিৰ পথাৰত হিংসাৰ সংস্কৃতিৰ আন এক ভয়ানক প্ৰতিচ্ছবি। সামাজিক মাধ্যমযোগে শ্ৰীপ্ৰধানে কয়, যে টি এম চিৰ ভয়-ভাবুকিৰ ৰাজনীতিত বিজেপিৰ কৰ্মকৰ্তাসকলে আত্মসমৰ্পণ কৰিবলৈ অস্বীকাৰ কৰাৰ বাবেই বিজেপিৰ কৰ্মকৰ্তা আৰু সমৰ্থকসকলক বাৰে বাৰে আক্ৰমণৰ লক্ষ্য কৰি লোৱা হৈছে আৰু হত্যা কৰা হৈছে। তেওঁ অভিযোগ কৰে যে, এয়া কেৱল হিংসা নহয়, বৰঞ্চ গণতান্ত্ৰিক বিৰোধীক চাপত ৰাখিবলৈ ৰচনা কৰা সন্ত্ৰাসৰ এটা ইচ্ছাকৃত পৰিৱেশতন্ত্ৰ। মন্ত্ৰীগৰাকীয়ে কয়, যে গণতন্ত্ৰত হিংসা আৰু প্ৰতিশোধৰ কোনো স্থান নাই। তেওঁ আৰু কয়, যে চন্দ্ৰনাথ ৰথৰ দৰে অগণন বিজেপি কৰ্মকৰ্তাৰ ত্যাগক পাহৰিব নোৱাৰি বা অথলে যাবলৈ দিয়া নহয়। শ্ৰীপ্ৰধানে কয়, যে পশ্চিমবঙ্গত শান্তি, নিৰাপত্তা আৰু প্ৰকৃত গণতান্ত্ৰিক মূল্যবোধ পুৰুদ্ধাৰৰ যুঁজখন অব্যাহত থাকিব।

০০০০০০

নিৰ্বাচন আয়োগে বিধানসভা নিৰ্বাচন সম্পন্ন হোৱা ৰাজ্য কেইখনৰ পৰা নিৰ্বাচনী আচৰনবিধি প্ৰত্যাহাৰ কৰিছে। আয়োগে আজি এটা নিৰ্দেশ যোগে অসম, কেৰলম, তামিলনাডু, পশ্চিমবংগ আৰু পুডুচেৰীৰ নিৰ্বাচনৰ ফলাফল ঘোষণা কৰাৰ পাছত ততালিকে কাৰ্যকৰী হোৱাকৈ নিৰ্বাচনী আচৰন বিধি প্ৰত্যাহাৰ কৰা বুলি ঘোষণা কৰে।

০০০০০০

কেৰলমত নতুন চৰকাৰ গঠন কৰিবলৈ কংগ্ৰেছ দলে তিৰুৱনন্তপুৰমত তেওঁলোকৰ গুণা-গঁথা অব্যাহত ৰাখিছে। কংগ্ৰেছ নেতৃত্বাধীন ইউ ডি এফে সদ্য সমাপ্ত বিধানসভা নিৰ্বাচনত ১৪০ খনৰ ভিতৰত ১০২ আসন পাবলৈ সক্ষম হৈছে আৰু তেওঁলোকে ৰাজ্যপাল চেন্নাইৰ পৰা তিৰুৱনন্তপুৰম আহি পোৱাৰ পাছত চৰকাৰ গঠনৰ দাবী উত্থাপন কৰিব। উল্লেখযোগ্য যে, কেৰালাৰ ৰাজ্যপাল ৰাজেন্দ্ৰ বিশ্বনাথ আৰ্লেকাৰ বৰ্তমান তামিলনাডুৰো অতিৰিক্ত দায়িত্ব বহন কৰি আছে।

০০০০০০

তামিলনাডুত টি ভি কে দলৰ মুৰব্বী জোছেফ বিজয়ে আজি লোকভৱনত ৰাজ্যপাল বিশ্বনাথ অৰ্লেকাৰক দ্বিতীয়বাৰ সাক্ষাৎ কৰে। সূত্ৰৰ পৰা জানিব পৰা মতে, ৰাজ্যপালে বিজয়ক মাতি পঠিয়াইছিল। কালিও শ্ৰীবিজয়ে ৰাজ্যপালক সাক্ষাৎ কৰিছিল আৰু দলৰ বিধায়কসকলৰ তালিকা তথা কংগ্ৰেছৰ সমৰ্থন পত্ৰ অৰ্পণ কৰিছিল। বৰ্তমান টি ভি কে দলৰ সংখ্যা গৰিষ্ঠতা প্ৰদৰ্শনৰ বাবে অধিক বিধায়কৰ সমৰ্থনৰ প্ৰয়োজন। ভি চি কেৰ নেতা থিৰুমাৱলভনে আজি দলৰ বিধায়িনী গোটৰ বৈঠকৰ অন্তত বিজয়লৈ সমৰ্থন আগবঢ়োৱাৰ সন্দৰ্ভত সিদ্ধান্ত গ্ৰহণ কৰা হ'ব বুলি প্ৰকাশ কৰিছে। বাও দলসমূহেও ৰাজ্যপালক বিধানসভা নিৰ্বাচনত সংখ্যাগৰিষ্ঠ দলৰূপে পৰিগণিত হোৱা টি ভি কেক চৰকাৰ গঠনৰ সুযোগ দিবলৈ আহ্বান জনাইছে।

০০০০০০

পুডুচেৰীৰ মুখ্যমন্ত্ৰী এন ৰংগাস্বামীয়ে আজি উপ-ৰাজ্যপাল কে কৈলাশনাথনৰ ওচৰত পদত্যাগ পত্ৰ দাখিল কৰে। ইয়াৰ লগে লগে কেন্দ্ৰীয়শাসিত অঞ্চলটোত নতুন চৰকাৰ গঠনৰ পথ প্ৰশস্ত হয়।

০০০০০০

কেন্দ্ৰীয় শ্ৰম আৰু নিয়োগ মন্ত্ৰী ডাঃ মনসুখ মাণ্ডাভিয়াই আজি নতুন দিল্লীৰ কৰ্মচাৰী ৰাজ্যিক বীমা নিগমৰ চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয়ত ৪০ বছৰ আৰু ইয়াৰ উৰ্ধৰ কৰ্মচাৰীৰ বাবে দেশজোৰা বাৰ্ষিক স্বাস্থ্য পৰীক্ষা অভিযান মুকলি কৰে। এই উদ্যম মুকলি কৰি মন্ত্ৰীগৰাকীয়ে কয়, যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত বিগত ১২ বছৰত দেশৰ কৰ্ম আৰু যুৱ শক্তিৰ প্ৰতি সন্মান যথেষ্ট বৃদ্ধি পাইছে। তেওঁ কয়, যে চৰকাৰে কৰ্মসংস্থাপনৰ সুযোগ সৃষ্টিৰ বাবে নিৰন্তৰ প্ৰচেষ্টা চলাই আহিছে আৰু এনে প্ৰচেষ্টাৰ ফলত নিবনুৱাৰ হাৰ প্ৰায় ৩ দশমিক ২ শতাংশলৈ হ্ৰাস পাইছে।

০০০০০০

বিহাৰৰ মুখ্যমন্ত্ৰী সম্ৰাট চৌধুৰীয়ে আজি তেওঁৰ মন্ত্ৰীসভাৰ সম্প্ৰসাৰণ ঘটায়। পাটনাৰ গান্ধী ময়দানত আয়োজিত এটা অনুষ্ঠানত ভগৱান সিং কুশ্বাহা, অৰুণ শংকৰ প্ৰসাদ, মদন ছাহনী, সন্তোষ কুমাৰ সুমন, ৰাম নিশাদ, ৰাম কৃপাল যাদৱ, নিতীশ মিশ্ৰা, দামোদৰ ৰাৱট, সঞ্জয় সিং আৰু অশোক চৌধুৰীকে ধৰি কেইবাগৰাকীও কেবিনেট

মন্ত্ৰীয়ে শপতগ্ৰহণ কৰে। অনুষ্ঠানত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ আৰু এন ডি এৰ কেইবাগৰাকীও নেতা উপস্থিত থাকে।

oooooo

থলুৱাভাৱে নিৰ্মিত টাইপ ফ’ৰ কম্পোজিট চি এন জি চিলিণ্ডাৰৰ উৎপাদন আৰু বাণিজ্যিকীকৰণৰ বাবে এটা নতুন উৎপাদন সুবিধা স্থাপনৰ বাবে প্ৰযুক্তি উন্নয়ন ব’ৰ্ডে এটা ব্যক্তিগত প্ৰতিষ্ঠানৰ সৈতে চুক্তিৰদ্ধ হৈছে। ইয়াত অত্যাধুনিক ফিলামেণ্ট ৱাইণ্ডিং, ব্লু ম’ল্ডিং আৰু উচ্চ চাপৰ পৰীক্ষণ প্ৰযুক্তি ব্যৱহাৰ কৰা হ’ব। ইয়াৰ দ্বাৰা আত্ম-নিৰ্ভৰ ভাৰতৰ অধীনত স্বচ্ছ শক্তিৰ গতিশীলতা প্ৰসাৰিত হ’ব। লগতে কাৰ্বন নিৰ্গমণ হ্ৰাস কৰা আৰু থলুৱা উৎপাদন শক্তিশালী কৰাৰ ক্ষেত্ৰতো অৰিহণা যোগাব। বিজ্ঞান আৰু প্ৰযুক্তি মন্ত্ৰালয়ে প্ৰকাশ কৰে যে, ইয়াৰ জৰিয়তে স্বচ্ছ পৰিবহণ আৰু উদীয়মান শক্তি প্ৰয়োগৰ বাবে উন্নত গেছ্ সংৰক্ষণ ব্যৱস্থাত ভাৰতৰ ঘৰুৱা সামৰ্থ্য শক্তিশালী হ’ব।

oooooo

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি লক্ষ্ণৌৰ অটল বিহাৰী বাজপেয়ী একানা ক্ৰিকেট ষ্টেডিয়ামত লক্ষ্ণৌ ছুপাৰ জায়েণ্টছ্ ৰয়েল ছেলেঞ্জাৰ্ছ বাংগালুৰুৰ বিৰুদ্ধে অৱতীৰ্ণ হ’ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ’ব।

প্ৰতিযোগিতাত যোৱানিশা হায়দৰাবাদৰ ৰাজীৱ গান্ধী আন্তঃৰাষ্ট্ৰীয় ষ্টেডিয়ামত অনুষ্ঠিত খেলত ছান ৰাইজাৰ্ছ হায়দৰাবাদে পঞ্জাব কিংছক ৩৩ ৰানত পৰাজিত কৰে।

ooooooo

**সমাপ্ত**